**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 06-NOV-2025
**Time :** 0900 Hrs

***Assamese Morning Bulletin***
***Headlines***

-------------------------------------------------

১।	ৰাজ্যত আফ্ৰিকান ছোৱাইন ফিভাৰৰ সংক্ৰমণে সৃষ্টি কৰা পৰিস্থিতিৰ বুজ ল'বলৈ কেন্দ্ৰীয় প্ৰতিনিধি দলৰ অসম আগমন।

২।	ব্ৰহ্মপুত্ৰৰ পাৰত বায়ুসেনাৰ সামৰিক প্ৰদৰ্শনৰ অনুশীলনৰ পৰিপ্ৰেক্ষিতত আজিৰেপৰা ৯ নৱেম্বৰলৈ গুৱাহাটী-উত্তৰ গুৱাহাটীৰ মাজৰ ফেৰীসেৱা বন্ধ।

৩।	ৰাস মহোৎসৱ উপলক্ষে উজনিৰ পৰা নামনিলৈ উৎসৱমুখৰ পৰিবেশ।

৪।	বিহাৰ বিধানসভাৰ প্ৰথম পৰ্যায়ৰ ভোটগ্ৰহণ আৰম্ভ। ১৮ খন জিলাৰ ১২১টা সমষ্টিৰ বাবে ভোটগ্ৰহণ।
**আৰু**

৫।	ভাৰত আৰু অষ্ট্ৰেলিয়াৰ মাজত চলি থকা পাঁচখনীয়া টি-২০ শৃংখলাৰ আজি চতুৰ্থখন খেল।

০০০০০০

ৰাজ্যখনত আফ্ৰিকান ছোৱাইন ফিভাৰৰ সংক্ৰমণে সৃষ্টি কৰা পৰিস্থিতিৰ বুজ লোৱাৰ বাবে কালি কেন্দ্ৰীয় চৰকাৰৰ এটা প্ৰতিনিধি দল অসমলৈ আহিছে। ৰাজ্যখনৰ কেইবাখনো জিলাৰ বিভিন্ন স্থানত এই ৰোগৰ সংক্ৰমণ ক্ৰমাৎ বৃদ্ধি পোৱাৰ পৰিপ্ৰেক্ষিতত কেন্দ্ৰীয় মীন, পশুপালন, দুগ্ধ আৰু ভূপালৰ পশু ৰোগ সম্পৰ্কীয় ৰাষ্ট্ৰীয় প্ৰতিষ্ঠানৰ দলটোৱে বিভিন্ন দিশ পৰ্যালোচনা কৰিব। দলটোৱে ধেমাজি, ডিব্ৰুগড় আৰু শিৱসাগৰ জিলাত পৰিস্থিতিৰ বুজ লোৱাৰ সম্ভাৱনা আছে। প্ৰতিনিধিসকলে এই ৰোগৰ সংক্ৰমণৰ সকলো দিশ চালি-জাৰি চোৱাৰ পাছত ইয়াৰ নিয়ন্ত্ৰণৰ বাবে কৰ্ম পৰিকল্পনা যুগুত কৰিবলৈ সংশ্লিষ্ট কৰ্তৃপক্ষক প্ৰতিবেদন দাখিল কৰিব। উল্লেখযোগ্য যে ৰাজ্যৰ প্ৰায় ৩৬৩ টা স্থানত গাহৰিৰ দেহত এই ৰোগৰ সংক্ৰমণ হৈছে। পশুপালন আৰু পশু চিকিৎসা বিভাগৰ সূত্ৰই প্ৰকাশ কৰা মতে ২০২০ চনৰ পৰা ৰাজ্যখনত ৪৫ হাজাৰৰো অধিক গাহৰি এই ৰোগৰ ফলত মৃত্যুমুখত পৰিছে আৰু চাৰে ১২ হাজাৰৰো অধিক গাহৰি পালকৰ ক্ষতি হৈছে। অসমৰ উপৰি পঞ্জাৱ, হাৰিয়ানা, ওড়িশা আৰু চুবুৰীয়া ৰাজ্য মেঘালয়ৰ লগতে উত্তৰ-পূৰ্বাঞ্চলৰ আন কেইবাখনো ৰাজ্যত এই ৰোগৰ প্ৰাদুৰ্ভাৱ পৰিলক্ষিত হৈছে। ইয়াৰ পৰিপ্ৰেক্ষিতত বহিঃৰাজ্যৰ পৰা গাহৰিৰ সৰবৰাহ নিষিদ্ধ কৰা হৈছে। ৰাজ্যখনত চলিত বছৰত এই ৰোগত আক্ৰান্ত হৈ প্ৰায় দুহেজাৰ ৫০০ টা গাহৰি মৃত্যুমুখত পৰিছে আৰু সুৰক্ষাজনিত ব্যৱস্থা হিচাপে প্ৰায় ছহেজাৰ গাহৰি নিধন কৰা হৈছে বুলি চৰকাৰী সূত্ৰত প্ৰকাশ পাইছে।

০০০০০০

ব্ৰহ্মপুত্ৰৰ পাৰত বায়ুসেনাৰ সামৰিক প্ৰদৰ্শনৰ অনুশীলনৰ পৰিপ্ৰেক্ষিতত আজিৰে পৰা ৯ নৱেম্বৰলৈ গুৱাহাটী-উত্তৰ গুৱাহাটীৰ মাজৰ ফেৰীসেৱা বন্ধ ৰখা হ'ব। এই অনুশীলনত সুবিধা হোৱাকৈ আৰু গুৱাহাটী গে'টৱে মুকলি অনুষ্ঠানৰ বাবে আভ্যন্তৰীণ জল পৰিবহণ বিভাগে ফেৰীসেৱা বন্ধ ৰখাৰ সিদ্ধান্ত লৈছে। বিকল্প হিচাপে উত্তৰ গুৱাহাটীৰ পৰা গুৱাহাটীলৈ আজিৰেপৰা অসম ৰাজ্যিক পৰিবহণ নিগমৰ বাছ চলাচল কৰিব। ইপিনে, মাছখোৱাৰ লাচিত ঘাটত হ'বলগীয়া ভাৰতীয় বায়ু সেনা দিৱসৰ ফ্লাই পাষ্টৰ বাবে ৮ আৰু ৯ নৱেম্বৰত গুৱাহাটীত যান-বাহন চলাচলৰ ক্ষেত্ৰত কিছু নিষেধাজ্ঞা আৰোপ কৰা হৈছে। বাণিজ্যিক সামগ্ৰী কঢ়িওৱা বাহন তথা অন্য গধুৰ বাহনক এইচ বি ৰোড, এ

টি ৰোড, ডি জি ৰোড, এম জি ৰোড, বি বৰুৱা ৰোড, জি এন বি ৰোডত ৮ আৰু ৯ নৱেম্বৰৰ পুৱা ৭ বজাৰ পৰা বিয়লি ৫ বজালৈ চলাচলৰ অনুমতি দিয়া নহ'ব। সেই সময়খিনিত ঠেলা, ৰিক্সা আদি বাহনক এম জি ৰোডত মাছখোৱাৰ পৰা মুখ্য ন্যায়াধীশৰ বাংলোলৈকে চলাচল কৰাত বাধা আৰোপ কৰা হৈছে। বায়ু সেনাই জাৰি কৰা আৰু বিতৰণ কৰা অনুমতিপত্ৰ থকা বাহনৰ বাহিৰে আন কোনো বাহন দিনৰ ১১ বজাৰ পৰা বিয়লি ৫ বজালৈ সেই অঞ্চলত চলাচল কৰিব নোৱাৰিব। খানাপাৰাৰ পৰা ভৰলুমুখৰ ফালে অহা সকলো ছিটি বাছ জি এছ ৰোড, এ টি ৰোড, আঠগাওঁ হৈ গৈ পাণবজাৰৰ আৰ বি আই হৈ ঘুৰিব নোৱাৰিব। ছিটিবাছৰ বাহিৰে জালুকবাৰীৰ পৰা অহা কোনো গধুৰ বাহন মহানগৰীত প্ৰৱেশ কৰিবলৈ দিয়া নহ'ব। এইচ বি ৰোডত দুয়োপিনে যান-বাহন চলাচল কৰিব পাৰিব।

০০০০০০

ৰাস মহোৎসৱ উপলক্ষে ৰাজ্যজুৰি পৱিত্ৰ পৰিবেশে বিৰাজ কৰিছে। শৰৎ কালৰ পূৰ্ণিমা তিথিৰ পৰা আয়োজিত এই মহোৎসৱৰ অংশ হিচাপে শ্ৰীকৃষ্ণৰ লীলা শিল্পীৰ দ্বাৰা পৰিবেশনৰ লগতে মৃণ্ময় মূৰ্তিৰ জৰিয়তে আটকধুনীয়াকৈ উপস্থাপন কৰা হৈছে।

ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যই কালি কামৰূপ জিলাৰ ঐতিহ্যমণ্ডিত পলাশবাৰী ৰাস মহোৎসৱ উদ্বোধন কৰে। ১৫ দিনীয়া কাৰ্যসূচীৰে ৭৯ সংখ্যক পলাশবাৰী ৰাস মহোৎসৱৰ আয়োজন কৰা হৈছে। বিগত বৰ্ষৰ দৰে এইবাৰো পলাশবাৰী ৰাস মহোৎসৱত শিশু কৃষ্ণ প্ৰতিযোগিতা আৰু ভূপেন্দ্ৰ সংগীতৰ লগতে দক্ষিণ কামৰূপীয়া লোকগীতৰ অনুষ্ঠানৰ আয়োজন কৰা হৈছে।

**বৰপেটা** জিলাৰ বিভিন্ন স্থানতো কালিৰে পৰা ৰাস মহোৎসৱ অনুষ্ঠিত হৈছে। হাউলীৰ ঐতিহ্যমণ্ডিত ৰাস মহোৎসৱ এইবাৰ ১৫ দিনীয়াকৈ বৰ্ণাঢ্য কাৰ্যসূচীৰে অনুষ্ঠিত হৈছে। অৰুণাচল প্ৰদেশৰ বাসিন্দা তথা অসমীয়া ভাষাৰ প্ৰসিদ্ধ সাহিত্যিক য়েছে দৰজি ঠংছিয়ে কালি ৰাস মহোৎসৱৰ উদ্বোধন কৰে। উদ্বোধনী অনুষ্ঠানৰ অন্তত সাহিত্যিকগৰাকীয়ে আমাৰ বৰপেটাৰ সংবাদদাতা অৰূপজ্যোতি মহন্তৰ সৈতে হোৱা কথা বতৰাত এইদৰে কয়–

**বাইট (য়েছে দৰজি ঠংছি)**

সত্ৰ সংস্কৃতিৰ প্ৰাণকেন্দ্ৰ মাজুলীতো ৰাস মহোৎসৱক কেন্দ্ৰ কৰি উলহ-মালহে বিৰাজ কৰিছে। জিলাখনত ৰাসৰ সৈতে সংগতি ৰাখি নদী পৰ্যটনকো উজ্জীৱিত কৰাৰ প্ৰচেষ্টা হাতত লোৱা হৈছে। সেই অনুসৰি জিলাখনৰ টুনী নদীত **বৈকুণ্ঠৰ হৰিনাম টুনীয়েদি উজাই যাম** শীৰ্ষক কাৰ্যসূচী ৰূপায়ণ কৰা হয়। দুপৰীয়া কমলাবাৰীৰ সমীপৰ টুনী নদীৰ পাৰত সুধাকণ্ঠ ড০ ভূপেন হাজৰিকাৰ স্মৃতিত শ্ৰদ্ধাঞ্জলি অনুষ্ঠান অনুষ্ঠিত হয়। ইয়াৰ পাছতে টুনী নদীত ৪০ খন নাৱত ভকত-বৈষ্ণৱে নাম কীৰ্তন কৰি নৌকা বিহাৰ উলিয়ায়। ৰাসৰ পৰিপ্ৰেক্ষিতত আজি জিলাখনত স্থানীয় বন্ধৰ দিন ঘোষণা কৰা হৈছে।

মন্ত্ৰী ৰণজিৎ কুমাৰ দাসে কালি **পাঠশালাত** আটকধুনীয়াকৈ বিজ্ঞানসন্মতভাৱে নিৰ্মাণ কৰা ৰাস মন্দিৰ উদ্বোধন কৰে। ৰাস পূৰ্ণিমাৰ সৈতে সংগতি ৰাখি পাঠশালাৰ ভগৱতী ক্ষেত্ৰত প্ৰায় আঢ়ৈ কোটি টকা ব্যয় সাপেক্ষে এই ৰাস মন্দিৰটো নিৰ্মাণ কৰা হৈছে।

**নলবাৰী**ৰ শ্ৰীশ্ৰীহৰি মন্দিৰত কালিৰে পৰা ১৩ দিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে ৯২ সংখ্যক ৰাস মহোৎসৱ অনুষ্ঠিত হৈছে। আজি অসম প্ৰকাশন পৰিষদৰ উদ্যোগত গ্ৰন্থমেলাৰ আয়োজন কৰা হৈছে।

**বাক্সা** জিলাতো আড়ম্বৰপূৰ্ণভাৱে ৰাস মহোৎসৱৰ আয়োজন কৰা হৈছে। জিলাখনত ৰাস মহোৎসৱ পালন সন্দৰ্ভত সবিশেষ জনাইছে আমাৰ বাক্সা জিলাৰ সংবাদদাতা দামোদৰ তালুকদাৰে।

**ভইচ (দামোদৰ তালুকদাৰ)**

০০০০০০

বিহাৰ বিধানসভাৰ প্ৰথম পৰ্যায়ৰ ভোটগ্ৰহণ আজি পুৱা ৭ বজাত আৰম্ভ হৈছে। এই পৰ্যায়ত আজি ৰাজ্যখনৰ ১৮ খন জিলাৰ ১২১টা সমষ্টিৰ বাবে ভোটগ্ৰহণ অনুষ্ঠিত হৈছে। পাটনা, বৈশালী, নালন্দা, ভোজপুৰ, মুংগেৰ, চৰণ, শিৱান, বেগুচৰাই, লক্ষীচৰাই, গোপালগঞ্জ, মুজফ্‌ফৰপুৰ, দাৰভাংগা, মাধেপুৰ, চৰ্হশাৰ সমষ্টিসমূহৰ বাবে ভোটগ্ৰহণ কৰা হৈছে। ভোটগ্ৰহণ সন্ধিয়া ৬ বজাত সামৰণি পৰিব। অৱশ্যে নিৰাপত্তাজনিত কাৰণত কেইৰাটাও বিধানসভা সমষ্টিৰ ২৬টা ভোটগ্ৰহণ কেন্দ্ৰত বিয়লি ৫ বজাত ভোটগ্ৰহণৰ সামৰণি পৰিব। নিৰ্বাচন মুক্ত, নিকা আৰু শান্তিপূৰ্ণভাৱে অনুষ্ঠিত কৰাৰ বাবে কটকটীয়া নিৰাপত্তা ব্যৱস্থা গ্ৰহণ কৰা হৈছে। নিৰ্বাচনী প্ৰক্ৰিয়া নিৰীক্ষণ কৰাৰ বাবে আটাইবোৰ ভোটকেন্দ্ৰত ৱেৱকাষ্টিঙৰ ব্যৱস্থা কৰাৰ লগতে নিয়ন্ত্ৰণ কক্ষ স্থাপন কৰা হৈছে। কেন্দ্ৰীয় সশস্ত্ৰ আৰক্ষী বাহিনীৰ লগতে ৰাজ্যিক আৰক্ষী বাহিনীক ভোটগ্ৰহণ কেন্দ্ৰসমূহত নিয়োগ কৰা হৈছে। ভোটাৰসকলৰ সুবিধাৰ বাবে অতিৰিক্ত ৩২০টা আদৰ্শ ভোটগ্ৰহণ কেন্দ্ৰ স্থাপন কৰা হৈছে।

প্ৰথম পৰ্যায়ৰ নিৰ্বাচনত ৩ কোটি ৭৫ লাখ ভোটদাতাই এহেজাৰ ৩১৪ গৰাকী প্ৰাৰ্থীৰ ৰাজনৈতিক ভাগ্য নিৰ্ণয় কৰিব। এইবাৰ ১২২ গৰাকী মহিলা প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা আগবঢ়াইছে। ৰাজ্যখনত অহা ১১ নৱেম্বৰত দ্বিতীয় তথা অন্তিম পৰ্যায়ৰ ভোটগ্ৰহণ অনুষ্ঠিত হ'ব। ১৪ নৱেম্বৰত ভোটগণনা কৰা হ'ব।

০০০০০০

অসম বিধানসভাৰ আইন প্ৰণয়ন সম্পৰ্কীয় সমিতিৰ এটা দলে কালি ডিমা হাচাও জিলাৰ হাফলং আৰু কাষৰীয়া অঞ্চলসমূহত উন্নয়নমূলক কাম-কাজৰ পৰ্যালোচনা কৰে। সমিতিৰ অধ্যক্ষ চাবুৱাৰ বিধায়ক পোণাকণ বৰুৱাৰ নেতৃত্বৰ দলটোৱে অঞ্চলটোত তৃণমূল পৰ্যায়ৰ পৰা ৰূপায়িত উন্নয়নমূলক কাম-কাজসমূহৰ বুজ লয়। এই দলটোত খুমটাই সমষ্টিৰ বিধায়ক মৃণাল শইকীয়া, কাটলিচেৰাৰ বিধায়ক চুজামুদ্দিন লস্কৰৰ উপৰি কেইবাগৰাকীও শীৰ্ষ চৰকাৰী বিষয়া উপস্থিত থাকে। দলটোৱে আন্তঃগাঁথনিমূলক কাম-কাজ পৰিদৰ্শন কৰাৰ লগতে স্থানীয় লোকৰ সৈতে বিভিন্ন বিষয়া সন্দৰ্ভত আলোচনা কৰে।

০০০০০০

বিশ্ব বৰেণ্য শিল্পী ডঃ ভূপেন হাজৰিকাৰ **মানুহে মানুহৰ বাবে** গীতটো সমগ্ৰ বিশ্বৰ মানৱতাৰ গীত হিচাপে স্বীকৃতি প্ৰদানৰ বাবে ৰাষ্ট্ৰসংঘক অনুৰোধ জনাবলৈ ৰাজ্য চৰকাৰে সিদ্ধান্ত গ্ৰহণ কৰিছে। কালি সুধাকণ্ঠৰ চতুৰ্দশ মৃত্যুবাৰ্ষিকীত অসম চৰকাৰৰ সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ উদ্যোগত জালুকবাৰীৰ ডঃ ভূপেন হাজৰিকা সমন্বয় তীৰ্থত আয়োজিত শ্ৰদ্ধাঞ্জলি অনুষ্ঠানত অংশ লৈ মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই এই বিষয়ে প্ৰকাশ কৰে। অনুষ্ঠানত মানৱ শৃংখলৰ জৰিয়তে **মানুহে মানুহৰ বাবে** শীৰ্ষক চিৰ সেউজ গীতটি পৰিৱেশন কৰা হয়। মুখ্যমন্ত্ৰীয়ে কয়, যে এই গীতটো কেৱল অসমৰেই নহয়, সমগ্ৰ মানৱ জাতিৰে সম্পদ আৰু গীতটোৱে মানৱতাৰ সাৰ্বজনীন অৰ্থ বহন কৰে।

**বাইট ঃ মুখ্যমন্ত্ৰী**

অসম আৰু অৰুণাচল প্ৰদেশৰ সম্পৰ্কক সুধাকণ্ঠই অধিক শক্তিশালী কৰি তুলিছিল বুলি উল্লেখ কৰি ডঃ শৰ্মাই কয়, যে বৰেণ্য শিল্পীগৰাকীৰ স্মৃতি সজীৱ কৰি ৰখাৰ বাবে ধলা-শদিয়াৰ ডঃ ভূপেন হাজৰিকা সেতুৰ জিৰো পইণ্টত তেওঁৰ প্ৰায় ১০০ ফুট উচ্চতাৰ এটি বিশাল প্ৰতিমূৰ্তি স্থাপনৰ পৰিকল্পনা কৰা হৈছে। ইতিমধ্যে লোকনিৰ্মাণ বিভাগে এই প্ৰতিমূৰ্তি স্থাপনৰ প্ৰস্তুতি সম্পূৰ্ণ কৰিছে বুলি মুখ্যমন্ত্ৰীয়ে জানিবলৈ দিয়ে। তেওঁ লগতে অসমৰ প্ৰতিখন চহৰত এটাকৈ পথ ডঃ ভূপেন হাজৰিকাৰ নামত উৎসৰ্গা কৰা হ'ব বুলি উল্লেখ কৰে।

অসম আন্দোলনৰ পটভূমিত ছহিদসকলক সুঁৱৰি সুধাকণ্ঠই ৰচনা কৰা **ছহিদ প্ৰণামো তোমাক** শীৰ্ষক গীতটি অহা ১০ ডিচেম্বৰত গুৱাহাটীত নৱনিৰ্মিত ছহিদ স্মাৰক ভৱনৰ উদ্বোধনৰ সৈতে সংগতি ৰাখি সমগ্ৰ ৰাজ্যজুৰি পৰিৱেশনৰ ব্যৱস্থা কৰা হ'ব বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে।

ৰাজ্যৰ প্ৰতিখন জিলা সদৰত কালি ৫ হাজাৰতকৈ অধিক ছাত্ৰ-ছাত্ৰী, যুৱক-যুৱতী আৰু কলা-কুশলীয়ে মানৱ শৃংখলৰ জৰিয়তে **মানুহে মানুহৰ বাবে** শীৰ্ষক গীতটি পৰিৱেশন কৰে।

oooooo

কেন্দ্ৰীয় বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমণ কাইলৈ দুদিনীয়া ভ্ৰমণসূচীৰে অসমলৈ আহিব। এই ভ্ৰমণকালত তেওঁ গুৱাহাটীত এটা গুৰুত্বপূৰ্ণ প্ৰকল্প উদ্বোধন কৰাৰ লগতে এখন নতুন ৰাজ্যিক বিশ্ববিদ্যালয়ৰ আধাৰশিলা স্থাপন কৰিব। শ্ৰীমতী সীতাৰমণে প্ৰথমে উজান বজাৰত ব্ৰহ্মপুত্ৰ ৰিভাৰ ফ্ৰণ্টৰ সতী ৰাধিকা শান্তি উদ্যান আৰু গেটৱে অৱ গুৱাহাটীৰ অত্যাধুনিক ফেৰী টাৰ্মিনেল আৰু জেটি উদ্বোধন কৰিব। অনুষ্ঠানত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা, জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্ৰী জয়ন্ত মল্লবৰুৱা আৰু পৰিবহণ মন্ত্ৰী চৰণ বড়ো উপস্থিত থাকিব। এই প্ৰকল্পই গুৱাহাটী মহানগৰীৰ আন্তঃগাঁথনি আৰু যোগাযোগ ব্যৱস্থা শক্তিশালী কৰিব বুলি আশা কৰা হৈছে। কেন্দ্ৰীয় বিত্ত মন্ত্ৰীগৰাকীয়ে সেইদিনাই জাগীৰোডৰ ছেমি কণ্ডাক্টৰ প্ৰকল্পস্থলী পৰিদৰ্শন কৰিব।

শ্ৰীমতী সীতাৰমণে পৰহিলৈ বিশ্বনাথ জিলাৰ গহপুৰৰ ঐতিহ্যমণ্ডিত ভোলাগুৰি চাহ বাগিচাত ছহিদ কনকলতা বৰুৱা ৰাজ্যিক বিশ্ববিদ্যালয়ৰ আধাৰশিলা স্থাপন কৰিব। ৰাজ্যৰ উচ্চশিক্ষা খণ্ডত গুৰুত্বপূৰ্ণ পদক্ষেপ হিচাপে নিৰ্মাণ কৰিবলৈ লোৱা এই বিশ্ববিদ্যালয়খন ৰূপকোঁৱৰ জ্যোতি প্ৰসাদ আগৰৱালাৰ কৰ্মস্থলী ভোলাগুৰিত ৭৪০ বিঘা ভূমি সামৰি নিৰ্মাণ কৰা হ'ব। বিশ্ববিদ্যালয়খনত পৰম্পৰাগত বিষয়সমূহৰ লগতে কৃত্ৰিম বুদ্ধিমত্তা, ৰব'টিক ছায়েন্স, থ্ৰীডি প্ৰিণ্টিঙকে ধৰি আধুনিক বিষয়সমূহ অন্তৰ্ভুক্ত হ'ব।

oooooo

প্ৰবীণ সাংবাদিক হাইদৰ হুছেইনলৈ ২০২৫ বৰ্ষৰ চ্যুকাফা বঁটা আগবঢ়োৱা হৈছে। অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদে আগবঢ়োৱা এই বঁটা অহা ২ ডিচেম্বৰত চৰাইদেউ জিলাৰ সোণাৰীত হ'বলগীয়া চ্যুকাফা মহোৎসৱত আনুষ্ঠানিকভাৱে প্ৰদান কৰা হ'ব। উল্লেখযোগ্য যে প্ৰতিবছৰে অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদে অসমৰ আৰ্থসামাজিক, সাহিত্য তথা সাংস্কৃতিক ক্ষেত্ৰত উল্লেখনীয় অৱদান আগবঢ়াই অহা একোগৰাকী বিশিষ্ট ব্যক্তিক এই বঁটা প্ৰদান কৰি আহিছে।

oooooo

আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগৰ ৬৯ বছৰীয়া ইতিহাসত বহুকেইগৰাকী সাংবাদিক আৰু সংবাদকৰ্মীয়ে বিভাগটোলৈ সেৱা আগবঢ়াই গৈছে। জীৱন আৰু জীৱিকাৰ সন্ধানত অথবা সাংসাৰিক প্ৰয়োজনত পৰৱৰ্তী কালত এওঁলোকৰ বহুকেইগৰাকীয়ে আন ক্ষেত্ৰলৈ যাবলগীয়া হ'ল আৰু নিজ নিজ ক্ষেত্ৰত প্ৰসিদ্ধি লাভ কৰিবলৈ সমৰ্থ হ'ল। কিন্তু তেওঁলোকে আজিও বুকুত কঢ়িয়াই ফুৰিছে আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগৰ সুমধুৰ স্মৃতি। এনে কেইগৰাকীমান প্ৰাক্তন সতীৰ্থৰ স্মৃতি ৰোমন্থনেৰে মুখৰিত হ'ব অহা শনিবাৰ ৮ নৱেম্বৰৰ নিশা আকাশবাণীৰ ষ্টুডিঅ'। সেইদিনা নিশা ৮ বাজি ২ মিনিটৰ দৃষ্টিপাতত তেওঁলোকে ব্যক্ত কৰিব নিজ নিজ অভিজ্ঞতা আৰু উপলব্ধি। অনুষ্ঠানটোৰ পৰিকল্পনা, প্ৰযোজনা আৰু উপস্থাপন আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগৰ মুৰব্বী ৰাজীৱ লোচন বৰঠাকুৰৰ।

oooooo

সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ চতুৰ্দশ মৃত্যুবাৰ্ষিকী ৰাজ্যজুৰি পালন, বিহাৰৰ ভোটগ্ৰহণৰ প্ৰাকক্ষণত ৰাহুল গান্ধীয়ে বিজেপিৰ বিৰুদ্ধে অনা ভোট চুৰিৰ অভিযোগ, ৰাস মহোৎসৱক লৈ ৰাজ্যজুৰি আনন্দমুখৰ পৰিৱেশ, বাংলাদেশত চলা সামৰিক কুচ-কাৱাজক লৈ ভাৰতৰ উদ্বিগ্নতা প্ৰকাশকে ধৰি কেইবাটাও বাতৰি আজি গুৱাহাটীৰ পৰা প্ৰকাশিত বাতৰি কাকতসমূহত প্ৰথম পৃষ্ঠাত স্থান লাভ কৰিছে।

ইয়াৰে বিশ্ববৰেণ্য শিল্পী ড° ভূপেন হাজৰিকাৰ মৃত্যু বাৰ্ষিকী পালনৰ বাতৰিটো **অসমীয়া প্ৰতিদিন** কাকতে 'জিলাই জিলাই চৰকাৰৰ উদ্যোগত সুধাকণ্ঠলৈ শ্ৰদ্ধাঞ্জলি, ড° ভূপেন হাজৰিকাৰ মৃত্যু বাৰ্ষিকীত মানুহে মানুহৰ বাবে গীতেৰে মুখৰ ৰাজ্য', **নিয়মীয়া বাৰ্তা** কাকতে 'ৰাজ্যৰ প্ৰান্তে প্ৰান্ত ড° হাজৰিকাক স্মৰণ, বৰাক-ব্ৰহ্মপুত্ৰৰ দুয়োপাৰে গুঞ্জৰিত সুধাকণ্ঠৰ গীত-কবিতা', **দৈনিক জনমভূমি** কাকতে 'চতুৰ্দশ মৃত্যুবাৰ্ষিকীত সমগ্ৰ ৰাজ্যজুৰি গীতে-মাতে ড°

ভূপেন হাজৰিকাক স্মৰণ’, **আমাৰ অসম** কাকতে ‘ৰাজ্যজুৰি নিনাদিত সুধাকণ্ঠৰ সুৰ’ শিৰোনামেৰে প্ৰথম পৃষ্ঠাত স্থান দিছে। বাতৰিটো প্ৰতিখন কাকতেই আজিৰ এটা প্ৰধান বাতৰিৰূপে প্ৰকাশ কৰিছে।

বিহাৰ নিৰ্বাচনৰ প্ৰাকক্ষণত ৰাহুল গান্ধীয়ে ভাৰতীয় জনতা পাৰ্টীৰ বিৰুদ্ধে ভোট চুৰিৰ অভিযোগ উত্থাপন কৰাৰ বাতৰিটোৱে আজিৰ কাকতত যথেষ্ট গুৰুত্ব লাভ কৰিছে। **দৈনিক অগ্ৰদূত** কাকতে ‘এখন ৰাজ্যতে ২৫ লাখ ভুৱা ভোটাৰ সৃষ্টি, ১২ দশমিক ৫ শতাংশ ভোটাৰে ভুৱা, ব্ৰাজিলৰ সুন্দৰী মডেলে হাৰিয়ানাত ১০ টা বুথত দিলে ২২ বাৰকৈ ভোট’ শিৰোনামেৰে, **অসমীয়া খবৰ** কাকতে ‘নিৰ্বাচন আয়োগৰ সহযোগত হাৰিয়ানাত ভোট চুৰি কৰিছিল বিজেপিয়ে, ব্ৰাজিলিয়ান মডেলৰ নামত ২২ টা ভোট থকাৰ ফটো প্ৰদৰ্শন কৰি কংগ্ৰেছ নেতা ৰাহুল গান্ধীৰ ভয়ংকৰ অভিযোগ’ শিৰোনামেৰে বাতৰিটো প্ৰকাশ কৰিছে। **দি আছাম ট্ৰিবিউন** কাকতে বাতৰিটোৰ ‘RAHUL BOMBSHELL ON EVE OF BIHAR 1ST PHASE POLLS’ শিৰোনাম দিছে।

**দৈনিক অসম** কাকতে ‘আজাৰবাইজানৰ পৰা গোপনে ঢাকালৈ মালবাহী বিমান, টাৰ্গেট চিকেননেক, বাংলাদেশৰ সীমান্তত সেনাৰ ব্যাপক কুচকাৱাজ’ শীৰ্ষক এটা উদ্বেগজনক বাতৰি প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

ৰাস মহোৎসৱক লৈ ৰাজ্যজুৰি আনন্দমুখৰ পৰিৱেশ বিৰাজ কৰাৰ বাতৰিটোকো আজি প্ৰায়কেইখন কাকতেই প্ৰথম পৃষ্ঠাত স্থান দিছে। বাতৰিটো **দা ছেণ্টিনেল** কাকতে ‘RAAZ FESTIVAL BEGINS WITH TRADITIONAL FERVOUR’ শিৰোনামেৰে প্ৰকাশ কৰিছে।

এতিয়া আহক পুনৰ বাতৰিৰ মাজলৈ ঘূৰি যাওঁ।

০০০০০০

বতৰৰ বতৰা–

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত বতৰ আংশিকভাৱে ডাৱৰীয়া হৈ থকাৰ লগতে দুই-এজাক পাতলীয়া বৰষুণ হোৱাৰ সম্ভাৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ৩১ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন ২২ ডিগ্ৰী ছেলছিয়াছ হ’ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

এই সময়ছোৱাত ত্ৰিপুৰা, মণিপুৰ আৰু মিজোৰামত ঠাই বিশেষে মজলীয়া বৰষুণ হোৱাৰ লগতে অৰুণাচল প্ৰদেশ, অসম, মেঘালয়, আৰু নাগালেণ্ডৰ অঞ্চলবিশেষে পাতলীয়াৰ পৰা মজলীয়া বৰষুণ হ’ব পাৰে বুলি বতৰ বিজ্ঞান কেন্দ্ৰই আগলি বতৰা দিছে।

০০০০০০

সমাপ্ত